অসম চৰকাৰ

আয়ুক্ত কাৰ্য্যালয়::: শিৱসাগৰ

(ৰাজহ শাখা)

No. SVRK/G.P. Appointment/12/2024/ Dated :- 19/06/2024

## বিজ্ঞাপন

শিৱসাগৰ জিলাৰ অন্তৰ্গত তলত উল্লেখ কৰা গাওঁসমূহত খালী হৈ থকা চৰকাৰী গাওঁ প্ৰধানৰ পদ পূৰণ কৰিবৰ বাবে স্থানীয় উপযুক্ত প্ৰাৰ্থীৰ পৰা আবেদন বিচৰা হৈছে। আবেদনকাৰীয়ে অসম গেজেটৰ খণ্ড IX ত প্ৰকাশিত প্ৰ-পত্ৰ (Standard Form of Application) ত আবেদন কৰিব লাগিব। আবেদনকাৰীয়ে কোনখন গাঁৱৰ গাওঁপ্ৰধানৰ পদৰ বাবে আবেদন কৰিছে সেই গাওঁ/গাওঁসমূহৰ নাম উল্লেখ কৰাৰ লগতে আবেদনকাৰীৰ ভ্ৰাম্যভাস নম্বৰ (ম'বাইল নম্বৰ)স্পষ্টকৈ আবেদনত সন্নিবিষ্ট কৰাটো বাধ্যতামূলক।

| ক্ৰমিক নং | ৰাজহ চক্ৰ | মৌজা | গাওঁ/গাওঁ সমূহৰ নাম |
|---|---|---|---|
| ১ | আমগুৰি | মৰা'বজাৰ | অভয়পুৰীয়া |
| ২ | | শল'গুৰি | ডিমৌ পথাৰ, ২ নং শল'গুৰি |
| ৩ | | শল'গুৰি | গণক গাঁও, অভয়পুৰীয়া |
| ৪ | | গধুলিবজাৰ | উত্তৰ ঘৰফলীয়া, ঘৰফলীয়া জাপিসজীয়া |
| ৫ | | গধুলিবজাৰ | হতীমুৰীয়া ঘৰফলীয়া |
| ৬ | | দোপদৰ | নামতি বঙালী-১, নামতি গ্ৰাণ্ট |
| ৭ | | দোপদৰ | দোলীয়া |
| ৮ | | দোপদৰ | ধাদোমীয়া, পূৰণী লোনপূৰীয়া, দেওপানী টি.ই., দেওপানী পট্টা, দেওপানী গ্ৰাণ্ট। |
| ৯ | শিৱসাগৰ | জকাইচুক | ডিব্ৰুৱাল চাওদাং |
| ১০ | | জকাইচুক | পটুৱাচলা, হাতীঘূলী |
| ১১ | | মেটেকা বন গাওঁ | ৰূপহী পথাৰ |
| ১২ | | মেটেকা বন গাওঁ | মেটেকা পথাৰ, কুৰুলাকটীয়া |
| ১৩ | | কোঁৱৰপুৰ | পাত্ৰচেতিয়া, লংচাই হাবি, বঙাল হাবি |
| ১৪ | | কোঁৱৰপুৰ | মাউতবাৰী, কাঠপাৰ |
| ১৫ | ডিমৌ | বকতা | পথলিয়াল, ফাৰবন্দিয়া কহাৰ |
| ১৬ | সোণাৰি | শিলাকুটি | লাকুৱা চাহ বাগিছা, ভেল'গুৰি ডুবি |
| ১৭ | | শিলাকুটি | ৰজাবাৰী গ্ৰাণ্ট |
| ১৮ | | শিলাকুটি | ভুতৰবাৰী টিং |
| ১৯ | নাজিৰা | নাজিৰা | চানবছা সন্দিকৈ |
| ২০ | | ধোপাবৰ | পহুচুঙী দেওধাই গাঁও |
| ২১ | | ধোপাবৰ | বৰদুৱাৰ মুখ, লুঠুৰী গাঁও |
| ২২ | | হাঁহচৰা | চুণপোৰা গোহাঁই, লংকাক গোহাঁই,চুণপোৰা হাবি গাঁও |
| ২৩ | | নাজিৰা | হুলাংকাটনী গাওঁ |
| ২৪ | | আঠখেল | অভয়পুৰীয়া গাঁও ২ নং খণ্ড |

19/6/24

## আবেদনকাৰীৰ তলত উল্লেখ কৰা অৰ্হতা সমূহ থাকিব লাগিব।

১/আবেদনকাৰী ভাৰতীয় নাগৰিক হ'ব লাগিব আৰু নিযুক্তি পাবৰ বাবে আবেদনকৰা গাঁওৰ অথবা গাঁও সমূহৰ ভিতৰৰ যিকোনো এখনৰ স্থায়ী বাসিন্দা হ'ব লাগিব।
২/ আবেদনকাৰীৰ বয়স নুন্যতম ৩০(ত্ৰিশ) বছৰ হ'ব লাগিব আৰু শিক্ষাগত অৰ্হতা নুন্যতম দশম শ্ৰেণী উত্তীৰ্ণ হ'ব লাগিব।
৩/ আবেদনকাৰী শাৰীৰিক আৰু মানসিক ভাবে সবল হ'ব লাগিব।
৪/ আবেদনকাৰী আৰ্থিকভাবে দেউলীয়া আৰু কোনো চৰকাৰী ধনৰ দেনাদাৰ হ'ব নালাগিব।
৫/ আবেদনকাৰী চৰকাৰী চাকৰিয়াল হ'ব নালাগিব।
৬/ আবেদনকাৰীৰ নিজৰ নামত সংশ্লিষ্ট গাঁৱত স্থাৱৰ সম্পত্তি থাকিব লাগিব।
৭/ আবেদনকাৰী কোনো ৰাজনৈতিক দলৰ সদস্য হ'ব নালাগিব।
৮/ আবেদনকাৰী সমাজৰ এজন উচ্চ মৰ্য্যদা সম্পন্ন তথা সন্মানীয় আসন থকা ব্যক্তি হোৱাটো বাঞ্চনীয়।
৯/ আবেদনকাৰী প্ৰাকৃতিক দুৰ্য্যোগ বা অন্যান্য চৰকাৰী কাৰ্য্যসূচীত অংশগ্ৰহণকাৰী তথা চৰকাৰক সহযোগ কৰা ব্যক্তি হোৱাটো বাঞ্চনীয়।
১০/ আবেদনকাৰীৰ দুটাতকৈ অধিক সন্তান থাকিব নালাগিব।

## আবেদনৰ লগত তলত উল্লেখ কৰা প্ৰমাণপত্ৰ সমূহ দাখিল কৰাটো বাধ্যতামূলক:-

১/ স্থায়ীবাসিন্দাৰ প্ৰমাণ পত্ৰ।
২/ বয়স আৰু শিক্ষাগত অৰ্হতাৰ প্ৰমাণপত্ৰ। (অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত ব'ৰ্ড/প্ৰতিষ্ঠানৰ প্ৰমাণপত্ৰ সংলগ্ন কৰিব)।
৩/ বাকীজাই দেনামুক্ত প্ৰমাণপত্ৰ।
৪/ আবেদনকাৰীৰ ক্ষেত্ৰত মৌজাদাৰৰ মতামত সম্বন্ধীয় প্ৰমাণপত্ৰ।
৫/ স্থাৱৰ সম্পত্তিৰ প্ৰমাণপত্ৰ। (কম্পিউটাৰাইজদ শেহতীয়া জমাবন্দী, মাটি থকাৰ প্ৰমাণপত্ৰ, শেহতীয়া খাজনা আদায়ৰ ৰছিদ ইত্যাদি)
৬/ আবেদনকাৰীৰ দুটাতকৈ অধিক সন্তান নাই বুলি স্পষ্টকৈ উল্লেখ কৰি এখন শপতনামা দাখিল কৰিব লাগিব। শপতনামাত জনাব লাগিব যে, আবিদনকাৰীৰ এক বা একাধিক সংগীৰ লগত দুটাতকৈ অধিক সন্তান নাই। কিন্তু অসম চৰকাৰৰ অধিসূচনা আৰ.এল.আৰ-১৮৭/২০০৭/অংশ/২৪ তাং ১৯/৭/২০১৯ জাৰি হোৱাৰ পূৰ্বে যিসকল ব্যক্তিৰ দুটাতকৈ অধিক সন্তানৰ গৰাকী হয় তেওঁলোকৰ ক্ষেত্ৰত এই নীতি প্ৰযোজ্য নহয়।

আবেদনকাৰীয়ে দাখিল কৰা প্ৰমাণপত্ৰ সমূহ যদি ভূৱা বুলি প্ৰমাণিত হয় তেন্তে তেখেতৰ প্ৰাৰ্থীত্ব তাৎক্ষণিকভাবে নাকচ কৰাৰ লগতে আইনগত ব্যৱস্থা গ্ৰহণ কৰা হ'ব। আবেদনপত্ৰ শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্য্যালয়ত ইংৰাজী ..০৩/...০৭/২০২৪ তাৰিখে বিয়লি ৫:০০ বজাৰ ভিতৰত দাখিল কৰিব লাগিব।

১৭/৬/২৪

জিলা আয়ুক্ত,
শিৱসাগৰ

ইয়াৰ প্ৰতিলিপি: ১/ চক্ৰবিষয়া, শিৱসাগৰ, আমগুৰি, নাজিৰা, ডিমৌ আৰু সোণাৰি ৰাজহ চক্ৰৰ জ্ঞাতাৰ্থে প্ৰেৰণ কৰা হ'ল। তেখেতে বিজ্ঞাপনটিৰ বহুল প্ৰচাৰৰ ব্যৱস্থা কৰিব।
২/ জিলা তথ্য ও জনসংযোগ বিষয়া, শিৱসাগৰ। তেখেতে বিজ্ঞাপনটি বাতৰি কাকতৰ জৰিয়তে প্ৰচাৰৰ ব্যৱস্থা কৰিব।
৩/ মৌজাদাৰ, মৰাবজাৰ/ গধুলিবজাৰ/ শল'গুৰি/ দোপদৰ/ জকাইচুক/ মেটেকাবন গাঁও/ বকতা,/কোঁৱৰপুৰ/শিলাকুটি/ নাজিৰা/ ধোপাবৰ/ হাঁহচৰা মৌজা। তেখেতে বিজ্ঞাপনটিৰ বহুল প্ৰচাৰৰ ব্যৱস্থা কৰিব।
৪/ জাননী ফলক, আয়ুক্ত কাৰ্য্যালয়, শিৱসাগৰ।

১৭/৬/২৪

জিলা আয়ুক্ত,
শিৱসাগৰ